জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮৫/২০২০

# ১০ ডিচেম্বৰত মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিব শ্বহীদ স্মাৰকৰ নিৰ্মাণ কাৰ্যৰ

## শ্বহীদ দিৱসত প্ৰকাশ পাব অসম আন্দোলনৰ বিভিন্ন ঘটনাৰাজি সম্বলিত তথ্যসমৃদ্ধ গ্ৰন্থ

**দিছপুৰ, ১৬ অক্টোবৰ ঃ** অহা ১০ ডিচেম্বৰত ৰাজ্য চৰকাৰে উদ্‌যাপন কৰিবলগীয়া শ্বহীদ দিৱসৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ শ্বহীদ স্মাৰক উদ্যানত অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি চিৰযুগমীয়া কৰাৰ উদ্দেশ্যে 'শ্বহীদ স্মাৰক'ৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিব। উল্লেখ্য যে বিগত বৰ্ষৰ শ্বহীদ দিৱসৰ দিনাখন মুখ্যমন্ত্ৰীয়ে শ্বহীদ স্মাৰক উদ্যানৰ আধাৰশিলা স্থাপন কৰিছিল। সেই দিনটোতে অসম আন্দোলনৰ ঐতিহাসিক পটভূমিৰ পৰা আৰম্ভ কৰি ১৯৮৫ চন পৰ্যন্ত সংঘটিত ঘটনাৰাজি সামৰি চাৰিটা খণ্ডত প্ৰকাশ পাবলগীয়া তথ্যসমৃদ্ধ গ্ৰন্থখনৰ প্ৰথম খণ্ডও প্ৰকাশ পাব। আজি অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয়ত এই পদক্ষেপৰ সম্পৰ্কে আলোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শ্বহীদৰ ত্যাগ যাতে যাউতিযুগীয়া হৈ ৰয় তাৰ বাবে এই পদক্ষেপ সৰ্বাংগসুন্দৰ ৰূপত কাৰ্যকৰী কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে।

শ্বহীদ স্মাৰক নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগক সকলোবোৰ আনুষ্ঠানিক প্ৰক্ৰিয়া দ্ৰুতগতিত সম্পাদন কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে। এই স্মাৰক যাতে একক আৰু অনন্য হয় তথা শ্বহীদ স্মাৰক উদ্যানখনে সৰ্বস্তৰৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে সেই দিশত মনোযোগ দিবলৈও লোক নিৰ্মাণ বিভাগক মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে অসম চৰকাৰে কামৰূপ মহানগৰ জিলাৰ পশ্চিম বৰাগাঁৱত প্ৰায় ১০০ বিঘা ভূমিত প্ৰায় ৪৭ কোটি টকা ব্যয়ৰে এই প্ৰকল্প ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে। আনহাতে, অসম আন্দোলনৰ ঘটনাৰাজি সামৰি প্ৰকাশ পাবলগীয়া গ্ৰন্থখনে অসমৰ জাতীয় জীৱনৰ এই গুৰুত্বপূৰ্ণ অধ্যায়টোৰ প্ৰতিটো দিশ যাতে সামৰি ল'বলৈ সক্ষম হয় তথা এইখন গৱেষণা উপযোগী গ্ৰন্থ ৰূপে পৰিগণিত হয় তাৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ গ্ৰন্থখনৰ সম্পাদনা সমিতিক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ দিশত ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসম চৰকাৰে গ্ৰহণ কৰা সকলো পদক্ষেপ সামৰি এখন পুস্তিকা প্ৰকাশ কৰিবলৈও বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চুক্তিখন যাতে আখৰে আখৰে ৰূপায়িত হয় আৰু অসমীয়া জাতিৰ স্বাৰ্থ আৰু স্বাভিমান সুৰক্ষিত হয় তাৰ বাবে অসম চৰকাৰ দায়বদ্ধ। অসম চুক্তিৰ ফলশ্ৰুতিত ৰাজ্যত স্থাপন হোৱা বিভিন্ন প্ৰতিষ্ঠানসমূহেও যাতে আশানুৰূপভাৱে আগুৱাই যাব পাৰে তাৰ বাবেও অসম চৰকাৰে নিষ্ঠাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে অসম চুক্তি মৰ্মে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

বঙাইগাঁও জিলাৰ যোগীঘোপাত স্থাপন কৰা তথা ইতিপূৰ্বে বন্ধ হৈ পৰা অশোক কাগজ কলৰ স্থানত কেন্দ্ৰীয় চৰকাৰৰ সহযোগত অসম চৰকাৰে অহা ২০ অক্টোবৰত "মাল্টি মডেল লজিষ্টিক্স পাৰ্ক" নিৰ্মাণৰ শুভাৰম্ভ কৰিব। অশোক কাগজ কলতকৈ প্ৰায় ১০ গুণ বৃহৎ এই প্ৰকল্পই সমগ্ৰ নামনি অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনত ইতিবাচক প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমদানি-ৰপ্তানিকে ধৰি ব্যৱসায়িক তথা ঔদ্যোগীকৰণৰ দিশত এই লজিষ্টিক্স পাৰ্কে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ লগতে কৰ্ম সংস্থাপনৰ নতুন সুযোগ সৃষ্টি কৰিব।

এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, গৃহ বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ ত্ৰিপাঠী, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, অসম চুক্তি ৰূপায়ণ বিভাগৰ যুটীয়া সচিব জয়ন্ত গোস্বামী, লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা, অসম আন্দোলনৰ সম্পৰ্কে প্ৰকাশ পাবলগীয়া তথ্যসমৃদ্ধ গ্ৰন্থখনৰ সম্পাদক দিগন্ত ওজা প্ৰমুখ্যে কেইবাগৰাকীও চৰকাৰী বিষয়া উপস্থিত থাকে।

**বীঃগঃ**
**১৬/১০/২০২০**